## ৪.০৪ গুপ্ত পৰৱৰ্তী যুগৰ সামন্তীয় অৰ্থনীতি আৰু সমাজ ঃ

ভাৰতৰ ইতিহাস চৰ্চাত মাৰ্ক্সীয় চিন্তাৰ অনুপ্ৰৱেশৰ পৰিপ্ৰেক্ষিতত প্ৰাচীন ভাৰতীয় সামাজিক-অৰ্থনৈতিক কাঠামোত সামন্ততন্ত্ৰৰ উৎস সন্ধান আৰু অস্তিত্বৰ প্ৰসংগটোৱে এক বিতৰ্কিত আৰু প্ৰাণৱন্ত ৰূপ ধাৰণ কৰিছে। ভাৰতীয় লেখকসকলৰ ভিতৰত পোনপ্ৰথমে ভূপেন্দ্ৰনাথ দত্তই প্ৰাচীন ভাৰতত শ্ৰেণী সংগ্ৰাম আৰু সামন্ততন্ত্ৰৰ কথা আলোচনা কৰিছিল। এছ. এ. ডাঙ্গেও বৈদিক

Scanned by CamScanner

সাহিত্যৰ পৰা সমল সংগ্ৰহ কৰি পৰৱৰ্তী বৈদিক যুগত দাস সমাজৰ অস্তিত্বৰ কথা বৰ্ণনা কৰিছিল। এনেদৰে প্ৰাচীন ভাৰতৰ ইতিহাস ব্যাখ্যাৰ ক্ষেত্ৰত মাৰ্ক্সীয় দৰ্শনৰ প্ৰয়োগ আৰম্ভ হ'বলৈ লৈছিল। ব্ৰিটিছ শাসনকালৰ ভাৰতৰ ইতিহাস নিবন্ধকাৰ বা ঔপনিৱেশিক ধাৰাৰ ইতিহাস চৰ্চাকাৰীসকলে ভাৰতৰ অতীত কালৰ সমাজখন পৰিৱৰ্তনহীন আৰু স্থবিৰ সমাজ ৰূপে চিহ্নিত কৰিছিল। স্বেচ্ছাচাৰী শাসনৰ দ্বাৰা পৰিচালিত ৰাজনৈতিক বাতাবৰণ আৰু বিশ্বৰ ঘটনাপ্ৰৱাহৰ প্ৰতি অনাসক্ত তথা পাৰলৌকিক চিন্তা-চৰ্চাৰ দ্বাৰা পৰিচালিত জনজীৱন প্ৰাচীন তথা মধ্যযুগীয় ভাৰতীয় সমাজৰ বৈশিষ্ট্যৰূপে এই ঔপনিৱেশিক ধাৰাৰ ঐতিহাসিকসকলে চিত্ৰিত কৰিছিল। সেয়েহে এই ঐতিহাসিকসকলে স্বাভাৱিকতে 'স্থবিৰ' আৰু 'পৰিৱৰ্তনহীন' ভাৰতৰ অতীত ইতিহাসত সামন্ত প্ৰথাৰ উদ্ভৱ বিষয়টো উত্থাপন বা আলোচনা কৰা নাছিল। আনকি কাৰ্ল মাৰ্ক্সে অতীত ভাৰতীয় সমাজত সামন্ততন্ত্ৰৰ বিকাশৰ তথ্য লাভ কৰা নাছিল। মাৰ্ক্সে প্ৰাক্-ব্ৰিটিছ ভাৰতীয় সমাজ সম্পৰ্কে আলোচনা কৰোঁতে তেওঁৰ দৰ্শনত বিশেষ প্ৰাধান্য লাভ কৰা **'এছীয় উৎপাদন পদ্ধতি'** ধাৰণাটো প্ৰয়োগ কৰিছিল। এই ধাৰণাৰ মূল বৈশিষ্ট্যসমূহ মাৰ্ক্সৰ মতে আছিল ৰাষ্ট্ৰনিয়ন্ত্ৰিত জলসিঞ্চন ব্যৱস্থা, মাটিৰ ক্ষেত্ৰত ব্যক্তিগত মালিকানাৰ অভাৱ, স্বয়ংসম্পূৰ্ণ গাঁও, নগৰৰ অভাৱ, ভূমিৰ ওপৰত উপজাতীয় গোষ্ঠী মালিকানা তথা কৃষি আৰু কুটিৰ শিল্প নিৰ্ভৰ স্বয়ংসম্পূৰ্ণ অৰ্থনীতি। তেওঁৰ মতে এই উৎপাদন পদ্ধতিত সমাজত স্থবিৰতা আৰু ৰাষ্ট্ৰশাসনৰ ক্ষেত্ৰত স্বৈৰাচাৰ স্থায়ী হয়।

প্ৰাচীন ভাৰতীয় সমাজত স্থবিৰতা তথা পৰিৱৰ্তনহীনতাৰ ধাৰণা ডি. ডি. কোশাম্বী, আৰ. এছ. শৰ্মা প্ৰভৃতি প্ৰসিদ্ধ ঐতিহাসিকসকলে বহু গৱেষণালব্ধ তথ্যৰ জৰিয়তে অস্বীকাৰ কৰিছে। তেওঁলোকে মাৰ্ক্সীয় তত্ত্বৰ আলমতে প্ৰাচীন ভাৰতীয় ইতিহাসৰ পুনৰনিৰ্মাণ কৰিছে আৰু খ্ৰীষ্টীয় প্ৰথম সহস্ৰাব্দৰ মাজভাগত সামন্ততন্ত্ৰৰ সূচনাৰ পূৰ্বৰ সমাজ বিৱৰ্তনৰ আনকি বিভিন্ন পৰ্যায়ও নিদৃষ্টি কৰিছে। সাম্প্ৰতিক গৱেষণাৰ পৰা দেখা গৈছে যে, 'এছীয় উৎপাদন পদ্ধতি'ৰ ধাৰণাটো প্ৰাচীন ভাৰতীয় সমাজ-অৰ্থনীতিৰ লগত ঠিক খাপ নাখায়। প্ৰাচীন ভাৰতত ভূমিৰ ওপৰত ব্যক্তিগত মালিকীস্বত্ব আছিল। ৰজাক কেন্দ্ৰ কৰি শাসক শ্ৰেণী আৰু এই শ্ৰেণীটোৱে জনসাধাৰণৰ উদ্বৃত্ত হৰণ কৰিছিল। তদুপৰি প্ৰত্নতাত্ত্বিক খনন কাৰ্যৰ জৰিয়তে ভাৰতৰ প্ৰাচীন কালৰ নগৰায়নৰ পৰিচয় পোৱা গৈছে। সেয়েহে ভাৰতৰ মাৰ্ক্সীয় ঐতিহাসিকসকলে 'এছীয় উৎপাদন পদ্ধতি'ৰ ধাৰণা বৰ্জন কৰিছে আৰু তেওঁলোকে ঐতিহাসিক বস্তুবাদৰ ভিত্তিত ভাৰতীয় প্ৰাচীন সমাজ আৰু অৰ্থনীতিৰ সংগঠনৰ ব্যাখ্যা দাঙি ধৰিবলৈ যত্নপৰ হৈছে।

Scanned by CamScanner

ডি. ডি. কোশাম্বীয়ে মাৰ্ক্সীয় তত্ত্বৰ আলমত ভাৰতৰ অতীত ইতিহাস অনুসন্ধান কৰে যদিও ভাৰতৰ ইতিহাসত মাৰ্ক্সৰ যুগ বিভাগ পদ্ধতিৰ যান্ত্ৰিক প্ৰয়োগৰ বিৰোধিতা কৰিছিল। তেওঁৰ অভিমত হ'ল ভাৰতৰ দৰে এক বিশাল দেশত য'ত বিভিন্ন অঞ্চলৰ পৰিপাৰ্শ্ব, ভাষা, অৰ্থনৈতিক আৰু সামাজিক অগ্ৰগতিৰ স্তৰ ভিন্ন ভিন্ন, ইয়াত উৎপাদন পদ্ধতিৰ ক্ষেত্ৰত আৰু অগ্ৰগতিৰ স্তৰ নিৰ্ণয়ৰ ক্ষেত্ৰত সৰ্বদা ঐক্য আশা কৰিব পৰা নাযায়। মুঠতে একান্তভাৱে দাসশ্ৰম নিৰ্ভৰ ইউৰোপীয় উৎপাদন পদ্ধতিৰ দৃষ্টান্তক যান্ত্ৰিকভাৱে প্ৰাচীন ভাৰতৰ সমাজ আৰু অৰ্থনীতিত প্ৰয়োগ কৰিবলৈ ভাৰতীয় মাৰ্ক্সীয় ঐতিহাসিকসকল প্ৰস্তুত নহয়। কাৰণ প্ৰাচীন গ্ৰীচ অথবা ৰোমৰ দৰে প্ৰাচীন ভাৰতৰ সমাজ আৰু অৰ্থনীতি ব্যাপকভাৱে দাস শ্ৰমৰ ওপৰত নিৰ্ভৰশীল আছিল বুলি ক'ব পৰা নাযায়। প্ৰাচীন ভাৰতৰ দাসৰ স্থানত আছিল শূদ্ৰসকল। বৈদিক যুগত দাসৰ সংখ্যা আছিল তেনেই কম। সেয়েহে তেওঁলোকৰ বিশেষ গুৰুত্ব নাছিল। কিন্তু বৈদিক পৰৱৰ্তী যুগত দাসসকলৰ অস্তিত্বৰ সম্ভাৱনা অস্বীকাৰ কৰিব নোৱাৰি আৰু মৌৰ্য যুগৰ উৎপাদন ব্যৱস্থাত দাসসকলৰ কিছু হ'লেও ভূমিকা আছিল। আৰ. এছ. শৰ্মাৰ মতে প্ৰাচীন ভাৰতত ব্যাপক হাৰত ক্ৰীতদাস প্ৰথা নাছিল আৰু তেওঁ প্ৰাচীন ভাৰতীয় সমাজক দাস সমাজ আখ্যা দিয়াৰ পৰিৱৰ্তে বৈশ্য-শূদ্ৰ সমাজ আখ্যা দিছিল। মুঠতে ৫০০ খ্ৰীষ্টাব্দ পৰ্যন্ত ইউৰোপীয় যুগ বিভাগ বা উৎপাদন পদ্ধতিৰ দৃষ্টান্ত ভাৰতৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

কোশাম্বী আৰু শৰ্মা এই দুয়োজন ঐতিহাসিকেই এই বিষয়ত একমত যে বাণিজ্য আৰু নগৰৰ অৱনতিৰ ফলত গুপ্তযুগৰ শেষৰ ফালে গাঁওসমূহ স্বয়ংসম্পূৰ্ণ হৈ পৰিছিল আৰু সামন্ততান্ত্ৰিক ব্যৱস্থাৰ উদ্ভৱ আৰু বিকাশ হৈছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা ভাৰতীয় ৰজাসকলে ভূমিৰ পৰা ৰাজহ আৰু গাঁওসমূহৰ আইন-শৃংখলাকে ধৰি শাসন সংক্ৰান্তীয় অধিকাৰ তেওঁলোকৰ অধীনৰ নৃপতি বা ৰাজপ্ৰতিনিধিসকললৈ হস্তান্তৰিত কৰে আৰু ইয়াৰ ফলত এই শ্ৰেণীটোৰ লগত কৃষকৰ প্ৰত্যক্ষ সম্পৰ্ক স্থাপন হৈছিল আৰু লগতে কৃষি অৰ্থনীতি বিঘ্নিত হৈছিল। কোশাম্বীয়ে ইয়াকে **'ওপৰৰ পৰা জাপি দিয়া সামন্তবাদ'** আখ্যা দিছে। গুপ্ত যুগ আৰু বিশেষকৈ হৰ্ষবৰ্দ্ধনৰ ৰাজত্ব কালত এই সামন্ততান্ত্ৰিক ব্যৱস্থাৰ অধিক অগ্ৰগতি হৈছিল। কোশাম্বীৰ মতে, ইয়াৰ পৰৱৰ্তী পৰ্যায়ত বৃহৎ কেন্দ্ৰীয় ৰাজশক্তিৰ পতনৰ পৰিপ্ৰেক্ষিতত গাঁও, ৰাষ্ট্ৰ আৰু কৃষকৰ মাজত এক শ্ৰেণীৰ ভূস্বামী বা সামন্ত শ্ৰেণীৰ আৱিৰ্ভাৱ হয় আৰু এই শ্ৰেণীটোৱে স্থানীয় জনসাধাৰণৰ ওপৰত পশুশক্তি প্ৰয়োগ কৰি কৰ সংগ্ৰহ কৰিবলৈ লয়। কোশাম্বীয়ে এই পদ্ধতিক **'তলৰ পৰা হোৱা সামন্তবাদ'** আখ্যা দিছে।

Scanned by CamScanner

কোশাম্বীয়ে মতপোষণ কৰিছে যে গুপ্তসকলৰ ৰাজত্বকালৰ পৰাই শক্তিশালী ৰজা-সম্রাটসকলে চুবুৰীয়া ক্ষুদ্ৰ নৃপতিসকলৰ অধীনস্থ সৰু ৰাজ্য আৰু মুখিয়ালসকলৰ নিয়ন্ত্রণাধীন জনজাতি অধ্যুষিত অঞ্চলসমূহ নিজ বৈশ্যতামূলক ব্যৱস্থাৰ তললৈ আনি এইবোৰৰ ওপৰত বিভিন্ন সামন্ততান্ত্রিক চৰিত্ৰৰ বাধ্যবাধকতা আৰোপ কৰিবলৈ ধৰে। এই ব্যৱস্থা অনুসৰি বশ্যতা স্বীকাৰ কৰা ৰজা-মুখিয়ালসকলে শক্তিশালী ৰজা-সম্রাটসকলক নিয়মিত কৰ-কাটল সোধোৱাৰ উপৰি প্রয়োজন সাপেক্ষে সামৰিক সাহায্য তথা অন্যান্য সেৱাও আগবঢ়াব লগা হৈছিল। ইয়াৰ পৰিৱৰ্তে ক্ষুদ্ৰ ৰজা আৰু জনজাতীয় মুৰব্বীসকলে নিজ নিজ অঞ্চলত নিৰ্বিঘ্নে আৰু স্বাচ্ছন্দ্যে শাসন কাৰ্য চলাই যাব পাৰিছিল। হৰিসেনে ৰচনা কৰা গুপ্ত সম্রাট সমুদ্রগুপ্তৰ এলাহাবাদ প্ৰশস্তিত এনে কৰতলীয়া অঞ্চল বা ৰাজ্যসমূহৰ উদাহৰণ পোৱা যায়। কোশাম্বীৰ মতে এনেদৰেই 'ওপৰৰ পৰা জাপি দিয়া সামন্তবাদ'ৰ উদ্ভৱ আৰু বিকাশ হ'বলৈ লৈছিল। তেওঁৰ ব্যাখ্যা অনুসৰি সামন্তবাদৰ এই পৰ্বত ৰাষ্ট্ৰ আৰু সাধাৰণ প্ৰজাবৰ্গৰ মাজত কোনো মধ্যৱৰ্তী সামন্ত শ্ৰেণী নথকাত ৰাষ্ট্ৰ আৰু প্ৰজাসাধাৰণৰ মাজত পোনপটীয়া সম্পৰ্ক প্ৰতিষ্ঠা হৈছিল। ভূমিৰ মালিকানা স্বত্ব আৰু হস্তান্তৰ ক্ষমতা ৰাষ্ট্ৰৰ হাততে ন্যস্ত আছিল। গুপ্তৰাজবংশৰ শেষৰ কালছোৱা আৰু বিশেষকৈ হৰ্ষবৰ্দ্ধনৰ সাম্রাজ্যৰ কালছোৱা আছিল ওপৰৰ পৰা জাপি দিয়া সামন্তবাদৰ উত্থান আৰু বিকাশৰ সময়। এই কালছোৱাও গ্রাম্য কৃষি অৰ্থনীতিৰ বিপুল বিস্তাৰ আৰু বিকাশ ঘটিছিল। ন ন অঞ্চলত কৃষি কাৰ্যৰ সূচনা আৰু গ্ৰাম্য কৃষি অৰ্থনীতিৰ সচ্ছলতাই আত্মনিৰ্ভৰশীল গাঁৱৰ সংখ্যা বৃদ্ধি কৰে। ইতিমধ্যে বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত প্ৰচণ্ড মন্দা দেখা দিয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতত সাতবাহন আৰু কুষাণ ৰাজত্বৰ সময়ত পতন হোৱা চহৰসমূহত জনসাধাৰণৰ ভিৰ কমি আহিবলৈ ধৰিলে। ইয়াৰ ফলশ্ৰুতিস্বৰূপে পূৰ্বৰ কাৰিকৰী সামগ্ৰী উৎপাদন আৰু বাণিজ্যৰ কেন্দ্ৰবিন্দুস্বৰূপ নগৰসমূহৰ অৱক্ষয়ৰ সূচনা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত এহাতেদি দীৰ্ঘ দূৰত্বৰ বাণিজ্য আৰু কাৰিকৰী দ্ৰব্য উৎপাদন কৰা গীল্ডসমূহৰ অৱক্ষয় হয় আৰু আনহাতে কাৰিকৰসকল গাঁও অঞ্চললৈ প্ৰব্ৰজন কৰিবলৈ ধৰে আৰু তেওঁলোকে কৃষকৰ বাবে প্ৰয়োজনীয় সামগ্ৰী উৎপাদন কৰিবলৈ ধৰে।

কোশাম্বীয়ে ক'ব বিচাৰে যে, গুপ্তযুগৰ শেষৰ ফালৰ পৰা সূচনা হোৱা এই পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিত শক্তিশালী কেন্দ্ৰীয় ৰাজশক্তিৰ স্থায়িত্ব নিৰ্ভৰশীল হৈ পৰিছিল কৃষকৰ উদ্বৃত্ত বা ৰাহি উৎপাদনৰ ওপৰত। সেয়েহে কেন্দ্ৰীয় শক্তি বা ৰজা সম্রাটসকলে এফালেদি যুদ্ধৰ জৰিয়তে ন ন অঞ্চল অধিকাৰ কৰি

বিশাল কৃষিভূমিৰ ওপৰত নিজ আধিপত্য প্ৰতিষ্ঠাৰ বাবে যত্নবান হৈছিল আৰু আনহাতে ভূমিদান তথা অন্য উপায়েৰে গ্ৰাম্য কৃষি অৰ্থনীতিৰ বিকাশৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। এনে পৰিস্থিতিত খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা ভূমিদান প্ৰথা খুব জনপ্ৰিয় হৈ উঠিছিল। মুখ্যতঃ ব্ৰাহ্মণসকলকে অধিকতৰ মাত্ৰাত ভূমিদান কৰা হৈছিল। কাৰণ, ভূমিদান ব্ৰাহ্মণসকলক কৰিলে দাতাসকলৰ ধৰ্মীয় মান-মৰ্যাদা জনমানসত বৃদ্ধি কৰি শাসকসকলৰ গ্ৰহণযোগ্যতা আনি দিছিল। দ্বিতীয়তে, ব্ৰাহ্মণসকলৰ স্থায়ী কৃষিকাৰ্য পদ্ধতিৰ বিষয়ে প্ৰচুৰ জ্ঞান থকাৰ লগতে পাৰ্শ্ববৰ্তী আৰু জনজাতি অধ্যুষিত অঞ্চলসমূহত কৃষি অৰ্থনীতিৰ সম্প্ৰসাৰণৰ স্বীকৃত পাৰদৰ্শিতা আছিল। তদুপৰি ব্ৰাহ্মণসকলে জনজাতীয় অঞ্চলসমূহৰ ওপৰত প্ৰভাৱ প্ৰসাৰিত কৰি সংস্কৃতায়ন আৰু আৰ্যকৰণৰ জৰিয়তে জনজাতিসমূহক জাতি-বৰ্ণ ভিত্তিক হিন্দু সমাজভুক্ত কৰিব পাৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে এই কালছোৱাত বহু জনজাতীয় দেৱ-দেৱীয়ে হিন্দু আৰু বৌদ্ধিক অতিকথাসমূহত স্থান লাভ কৰিছিল। কিন্তু এই ব্যৱস্থাৰ জৰিয়তে ওপৰৰ পৰা জাপি দিয়া সামন্তবাদে অধিক কাল স্থায়ত্ব বজাই ৰাখিব বা কেন্দ্ৰীয় ৰাজশক্তিক বৰ্তাই ৰাখিব নোৱাৰিলে। কোশাম্বীৰ মতে, ৰাহি উৎপাদন সুনিশ্চিত কৰিবলৈ উৎপাদন ব্যৱস্থাক অধিক সমৃদ্ধ কৰিবৰ বাবে প্ৰয়োজনীয় কৃষি সঁজুলিসমূহ বিকাশ সাধনত ব্যৰ্থ হোৱা বাবেই ওপৰৰ পৰা জাপি দিয়া সামন্তবাদ ব্যৰ্থ হৈছিল। সেয়েহে হৰ্ষবৰ্দ্ধনৰ ৰাজত্বৰ পাছত কিছু কাললৈ ভাৰতবৰ্ষত কোনো বৃহৎ কেন্দ্ৰীয় শক্তিৰ উত্থান হোৱা নাছিল।

শক্তিশালী আৰু বৃহৎ কেন্দ্ৰীয় শক্তিৰ অৱক্ষয়ৰ ফলশ্ৰুতি স্বৰূপে সৃষ্টি হোৱা ৰাজনৈতিক আৰু আৰ্থ-সামাজিক অস্থিৰতাৰ সুযোগ গ্ৰহণ কৰি ইতিমধ্যে ভূমিদানৰ মাধ্যমেৰে ভূমিৰ ওপৰত কৰ্তৃত্ব লাভ কৰা শ্ৰেণীটোৱে পৰৱৰ্তী কালত তলৰ স্তৰত ৰাজনৈতিক, প্ৰশাসনিক আৰু সামৰিক শক্তি সঞ্চয় কৰি ৰাষ্ট্ৰ আৰু সাধাৰণ কৃষক প্ৰজাবৰ্গৰ মধ্যৱৰ্তী এক সামন্ত শ্ৰেণীলৈ পৰিৱৰ্তিত হয়। এই শ্ৰেণীটোত ব্ৰাহ্মণসকলৰ উপৰি আছিল নগদ বেতনৰ পৰিৱৰ্তে ৰাষ্ট্ৰৰ পৰা ভূমি বন্দবস্তি লাভ কৰা উচ্চপদস্থ চৰকাৰী কৰ্মচাৰী, জনজাতীয় মুৰব্বী বা নায়কসকল, সামৰিক দুঃসাহসী বীৰ, বংশপৰম্পৰাগত স্থানীয় প্ৰধানসকল। উল্লেখনীয় যে, গুপ্ত পৰৱৰ্তী যুগত ব্যৱসায়-বাণিজ্যৰ মন্দা অৱস্থাৰ বাবে মুদ্ৰাৰ পৰিমাণ হ্ৰাস পোৱাত ৰাষ্ট্ৰই এই বিষয়া-নায়ক-ব্ৰাহ্মণসকলক নগদ বেতনৰ পৰিৱৰ্তে ভূখণ্ডৰ ওপৰত কৰ্তৃত্ব স্থাপন কৰি ৰাজহ সংগ্ৰহৰ জৰিয়তে তেওঁলোকক পোহপাল দিবলৈ ব্যৱস্থা লৈছিল। এই শ্ৰেণীটোৰ বেছিভাগেই আছিল সমৰকুশলী লোক

Scanned by CamScanner

আৰু তেওঁলোকে সশস্ত্ৰ অনুচৰৰ সহায়ত বলেৰে প্ৰজাসাধাৰণৰ উৎপাদনৰ অংশ কৰ হিচাপে অধিগ্ৰহণ কৰিছিল। সংগৃহীত কৰৰ এটা অংশ এই ভূস্বামীসকলে নিজৰে ৰাখি আনটো ভাগ বৃহৎ সামন্ত বা ৰজাক অৰ্পণ কৰিছিল। কোশম্বীৰ মতে, এইদৰেই ৰাষ্ট্ৰ আৰু কৃষক শ্ৰেণীৰ মাজত এক মধ্যৱৰ্তী সামন্ত শ্ৰেণীৰ উত্থান ঘটিছিল আৰু এই প্ৰক্ৰিয়াটোক তেওঁ 'তলৰ পৰা হোৱা সামন্তবাদ' বুলি কৈছে। বৃহৎ কেন্দ্ৰীয় ৰাজশক্তিৰ অনুপস্থিতিৰ সুযোগ লৈ সংঘটিত হোৱা বৈদেশিক আক্ৰমণ, বিশেষকৈ মুছলমান আগ্ৰাসনৰ কালছোৱাত এই তলৰ পৰা হোৱা সামন্তবাদ অতি শক্তিশালী হ'ব ধৰে আৰু ভূস্বামীসকলৰ মাটিৰ ওপৰত একচ্ছত্ৰী কৰ্তৃত্ব স্থাপন হয়।

আৰ. এছ. শৰ্মাই তেওঁৰ প্ৰখ্যাত 'ইণ্ডিয়ান ফিউডেলিজিম' গ্ৰন্থত ভাৰতীয় সামন্ততন্ত্ৰ সম্পৰ্কে দ্বিস্তৰ মতবাদৰ বিৰোধিতা কৰি কোশাম্বীৰ 'তলৰ পৰা হোৱা সামন্তবাদ'ৰ ধাৰণাক প্ৰত্যাখ্যান কৰিছে। শৰ্মাৰ মতে, ব্ৰাহ্মণ, মন্দিৰ আৰু বিহাৰক ভূমিদান কৰাৰ পৰিপ্ৰেক্ষিততে সামন্ততন্ত্ৰৰ ভাৰতত সূচনা হৈছিল। খ্ৰীঃপূঃ প্ৰথম শতিকাৰ পৰাই এই সম্পৰ্কীয় বিভিন্ন তথ্য প্ৰমাণ পোৱা যায়। গুপ্তযুগত এই ভূমিদানৰ পৰিমাণ বিশেষভাৱে বৃদ্ধি পাইছিল। এই যুগত মানুহ আৰু ভূমিসহ বিভিন্ন গাঁও, ৰজাৰ ৰাজত্ব, শাসন আৰু বিচাৰ সংক্ৰান্তীয় অধিকাৰ আৰু আনকি আদায়ীকৃত জৰিমনা ভোগৰ অধিকাৰো ধৰ্মীয় সুবিধাভোগীসকলক দান কৰা হৈছিল। প্ৰথমে পুৰোহিতসকলক দিয়া এনে দান লাহে লাহে ৰাজকৰ্মচাৰী, যোদ্ধা আদিলৈয়ো সম্প্ৰসাৰিত কৰা হৈছিল। স্থানীয় আৰু স্বয়ংসম্পূৰ্ণ গ্ৰামীণ অৰ্থনীতিৰ উদ্ভৱৰ লগে লগে ধৰ্মীয় আৰু কৰ্মৰ পৰিৱৰ্তে অধৰ্মীয় দান প্ৰদান বিশেষভাৱে জনপ্ৰিয় হ'বলৈ লৈছিল। এই স্বয়ংসম্পূৰ্ণ অৰ্থনীতিৰ মূল বৈশিষ্ট্য আছিল ব্যৱসায়-বাণিজ্য আৰু নগৰ-জীৱনৰ অৱনতি তথা মুদ্ৰাৰ পৰিমাণ হ্ৰাস। পৰৱৰ্তীকালৰ লিপিসমূহৰ পৰা দেখা যায় যে সামন্তবাদৰ বিকাশৰ লগে লগে সম্পত্তিৰ ওপৰত গোষ্ঠী অধিকাৰ হ্ৰাস পাইছিল। আনকি ভূমি-মানুহৰ উপৰি পশুচাৰণ ক্ষেত্ৰ, জলাধাৰ, বনভূমি ইত্যাদিও দানৰ অন্তৰ্ভুক্ত হৈছিল। অৰ্থাৎ ইউৰোপৰ দৰে, অৰ্থনৈতিক দিশৰ পৰা ভাৰতীয় সামন্ততন্ত্ৰৰ মূল দিশটো হ'ল, মধ্যৱৰ্তী ভূস্বামীসকলৰ আৱিৰ্ভাৱ। ইয়াৰ ফলত কৃষকৰ স্বাধীনতা হ্ৰাস পাইছিল, তেওঁলোকৰ ওপৰত বাধ্যতামূলক শ্ৰম প্ৰযোজ্য হৈছিল আৰু লগতে তেওঁলোকৰ অবাধ গতিবিধিৰ অধিকাৰ সংকুচিত হৈছিল। এক কথাত এতিয়া ভাৰতীয় কৃষক ক্ৰমশঃ প্ৰায় দাসত পৰিণত হৈছিল। ৰামচৰণ শৰ্মাৰ মূল অভিমত আছিল এনেধৰণৰ যে, ৫০০ খ্ৰীঃৰ আগে-পিছে ভাৰতৰ পণ্য উৎপাদন আৰু বৈদেশিক বাণিজ্য হ্ৰাস পাইছিল আৰু স্বনিৰ্ভৰশীল অৰ্থনীতিৰ উদ্ভৱ হৈছিল।

Scanned by CamScanner

এনে অৰ্থনীতিত মুদ্ৰা দুষ্প্ৰাপ্য হোৱা হেতু পুৰোহিত তথা ৰাজকৰ্মচাৰীসকলক তেওঁলোকৰ প্ৰাপ্য ভূমি দান অথবা ভূমি ৰাজহৰ মাধ্যমেৰে আদায় দিয়া হৈছিল। ভূমিৰ ওপৰত লাভ কৰা কৰ্তৃত্বৰ আধাৰত এনে সামন্ত শ্ৰেণীটোৱে কৃষকসকলৰ পৰা কৰ সংগ্ৰহ কৰা, বিনামূলীয়া বাধ্যতামূলক শ্ৰম জাপি দিয়া আদি প্ৰক্ৰিয়াৰে কৃষকসকলৰ উৎপাদনৰ ৰাহি অংশ আত্মসাৎ কৰিবলৈ ল'লে। খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰা একাদশ শতিকা পৰ্যন্ত মধ্য আৰু উত্তৰ ভাৰতত প্ৰতিহাৰসকলৰ ৰাজত্ব, পশ্চিম ভাৰতত ৰাষ্ট্ৰকূট ৰাজত্ব আৰু পূব ভাৰতত পালসকলৰ ৰাজত্বকালছোৱাক ভাৰতত সামন্তবাদৰ বিকাশৰ কাল ৰূপে অভিহিত কৰা হয়। শৰ্মাই আগবঢ়োৱা ব্যাখ্যা মতে ভাৰতীয় সামন্তবাদৰ বিকাশৰ কালপৰ্ব, ইয়াৰ কাঠামো, বিকাশৰ প্ৰক্ৰিয়া আদিৰ ইউৰোপত সামন্তবাদৰ বিকাশৰ লগত যথেষ্ট সাদৃশ্য দেখা যায়।

প্ৰণিধানযোগ্য যে ভাৰতত সামন্ত প্ৰথাৰ উদ্ভৱ আৰু বিকাশৰ ইতিহাস সম্পৰ্কে বিভিন্ন লেখক-গৱেষকসকলে আগবঢ়োৱা আলোচনা মূলতঃ ডি. ডি. কোশাম্বী আৰু ৰামচৰণ শৰ্মাৰ ব্যাখ্যাক কেন্দ্ৰ কৰিয়েই পৰিৱৰ্ধিত আৰু বিতৰ্কিত ৰূপ পাইছে। অৱশ্যে যিসমূহ সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাচীন ভাৰতত সামন্ততন্ত্ৰ সম্পৰ্কে উপৰিউক্ত মতবাদ গঢ়ি তোলা হৈছে অনেক বুৰঞ্জীবিদে সেই সূত্ৰসমূহৰ সত্যতা সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে ডº দীনেশ চন্দ্ৰ সৰকাৰ প্ৰমুখ্যে ঐতিহাসিকৰ মতে গুপ্তযুগৰ পৰৱৰ্তী কালত ভাৰতত বাণিজ্য হ্ৰাস পোৱা নাছিল বা মুদ্ৰাৰ পৰিমাণো বিশেষ কমা নাছিল। মুদ্ৰাৰ কিছু পৰিমাণ হ্ৰাস হ'লেও, কড়িয়ে তাৰ ক্ষতিপূৰণ কৰিছিল। সৰকাৰৰ মতে মুদ্ৰাৰ আপেক্ষিক দুষ্প্ৰাপ্যতা এই পৰ্যন্ত এক ধাৰণা মাত্ৰ। বৰং পঞ্জাৱ অঞ্চলত ৬৫০-১০০০ খ্ৰীষ্টাব্দৰ মাজত যথেষ্ট সংখ্যক প্ৰচলিত মুদ্ৰা পোৱা গৈছে। তদুপৰি সামন্ত প্ৰথাৰ বিকাশত ভূমিদান সম্পৰ্কে যি ব্যাখ্যা আগবঢ়োৱা হৈছে, প্ৰকৃততে ৰজাই ভূমি বা গাঁও দানৰ উল্লেখ বৈদিক সাহিত্যতো পোৱা যায়। সেয়েহে ডি. চি. সৰকাৰে অভিমত প্ৰকাশ কৰিছে যে, যাক ভাৰতীয় সামন্ততন্ত্ৰ বোলা হয়, সি আচলতে ভাৰতৰ চিৰাচৰিত 'জমিদাৰী প্ৰথা'ৰ বাহিৰে আন একো নহয়। তেওঁৰ মতে প্ৰাচীন ভাৰতত ভূমিদান প্ৰথাৰ কোনো পৰিৱৰ্তন হোৱা নাছিল। ঠিক একেদৰে আন এজন প্ৰসিদ্ধ ঐতিহাসিক হৰবংশ মুখিয়াই তেওঁৰ 'ৱজ দেয়াৰ ফিউডেলিজিম ইন ইণ্ডিয়া' শীৰ্ষক গৱেষণালব্ধ নিবন্ধত ভাৰতত সামন্তবাদৰ উত্থান হোৱাৰ প্ৰসংগটোক অস্বীকাৰ কৰিছে।

ইউৰোপীয় সামন্তবাদ আৰু তথাকথিত ভাৰতৰ সামন্ত প্ৰথাৰ মাজত বাস্তৱিকতে কিছুমান মৌলিক পাৰ্থক্য আছিল। ম্যানৰ প্ৰথা আছিল ইউৰোপীয় সামন্ততন্ত্ৰৰ অন্যতম প্ৰধান বৈশিষ্ট্য (ম্যানৰ বা ক্ষুদ্ৰ জমিদাৰসকলৰ উৎপত্তি হৈছিল তলখাপৰ

Scanned by CamScanner

সামন্তসকলক বেতনৰ পৰিৱৰ্তে 'ফীফ' বা ভূসম্পত্তি বিভাজন কৰি ভোগ কৰিবলৈ বিতৰণ কৰা প্ৰথাৰ ফলত), কিন্তু এই প্ৰথা প্ৰাচীন ভাৰতত নাছিল। গুপ্ত পৰৱৰ্তী যুগত যি গাঁও বা ভূমিদান কৰা হৈছিল তাক কোনোমতেই ম্যানৰৰ সমতুল্য বুলি ক'ব পৰা নাযায়। ইউৰোপৰ সামন্ততন্ত্ৰৰ ভিত্তি আছিল ছাৰ্ফ বা ভূমিদাস। ভাৰতত কিন্তু উৎপাদন আৰু কৰ ব্যৱস্থাৰ ভিত্তি আছিল কৃষক পৰিবাৰ। এই কৃষক পৰিবাৰ আৰু জমিদাৰৰ মাজত অৰ্থনৈতিক ক্ষেত্ৰত পাৰস্পৰিক নিৰ্ভৰতাৰ সম্পৰ্ক গঢ়ি উঠিছিল। তদুপৰি এই কথাও ক'ব পৰা যায়, সমকালীন ভাৰত আৰু ইউৰোপৰ উৎপাদন পদ্ধতি একে নাছিল। ইউৰোপত সেই কালত অসংখ্য বৃহদাকাৰ কৃষিপাম আছিল, যিবোৰ জমিদাৰসকলে ক্ৰীতদাসসকলৰ সাহায্যত খেতি কৰিছিল। ভাৰতত অনুৰূপ কৃষিক্ষেত্ৰৰ কেৱল অৰ্থশাস্ত্ৰ আৰু জাতকত পোৱা যায়। সম্ভৱতঃ এনে বৃহদাকাৰ কৃষিপাম ভাৰতত প্ৰাচীন কালত তেনেই সীমিত আছিল। অৱশ্যে বিভিন্ন সাহিত্যিক উপাদানৰ পৰা ক'ব পৰা যায় যে, অন্ততঃ ৫০০ খ্ৰীষ্টাব্দ মানৰ পৰা ভাৰতৰ কৃষক আৰু কাৰিকৰসকল, ইউৰোপীয় ছাৰ্ফসকলৰ দৰেই, ভূমিৰ লগত আৱদ্ধ হৈ পৰিছিল আৰু তেওঁলোকৰ ব্যক্তিস্বাধীনতা আৰু গতিবিধিৰ ওপৰত ক্ৰমশঃ নিয়ন্ত্ৰণ আৰোপ কৰা হৈছিল। ভূমিদানৰ লগত কৃষকসকলকো দান লাভ কৰা জনলৈ হস্তান্তৰিত কৰাৰ প্ৰথা নিশ্চিতভাৱে কৃষি শ্ৰমিকৰ অভাৱ দূৰ কৰাৰ বাবেই প্ৰৱৰ্তিত হৈছিল।

উপৰিউক্ত আলোচনাৰ পৰা মতপোষণ কৰিব পৰা যায় যে, ইউৰোপত যি চৰিত্ৰৰ সামন্ততন্ত্ৰ আছিল, প্ৰাচীন আৰু মধ্যযুগৰ সূচনা কালত তেনে অৰ্থত ভাৰতত তেনে সামন্ত প্ৰথা নাছিল। ভাৰতৰ উৎপাদন পদ্ধতিৰ ভিত্তি আছিল, ইউৰোপৰ দৰে ছাৰ্ফ বা ভূমিদাস নহয়, কৃষক পৰিবাৰ। অৱশ্যে সামন্ত প্ৰথাৰ কিছু কিছু উপাদান ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থা আৰু আৰ্থ-সামাজিক জীৱনত প্ৰতিফলিত হৈছিল সঁচা। বিশেষকৈ গুপ্ত যুগৰ পৰৱৰ্তী কালছোৱাত এই উপাদানসমূহৰ অধিক অনুপ্ৰৱেশ ঘটিছিল। কিন্তু এই উপাদানসমূহৰ উন্মেষ আৰু বিকাশ সৰ্বত্ৰ একেলগে বা একেধৰণে হোৱা লক্ষ্য কৰিব নোৱাৰি।

## প্ৰশ্নাৱলী

১। বেকট্ৰীয় গ্ৰীকসকলৰ ভাৰতত উত্থান-পতনৰ এক সংক্ষিপ্ত বিৱৰণ দিয়া। ভাৰতৰ সভ্যতা-সংস্কৃতিৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ সম্পৰ্কে লিখা।

২। কুষাণসকল কোন? কুষাণ সম্ৰাট কনিষ্কৰ কৃতিত্ব মূল্যায়ন কৰা।

Scanned by CamScanner

৩। সমুদ্ৰগুপ্তৰ সামৰিক কৃতিত্বসমূহ সংক্ষিপ্তভাৱে আলোচনা কৰি ভাৰতবৰ্ষৰ ইতিহাসত তেওঁৰ স্থান নিৰ্ণয় কৰা।

৪। গুপ্তযুগক প্ৰাচীন ভাৰতৰ 'সোণালী যুগ' বুলি কোৱাৰ যথাৰ্থতা বিচাৰ কৰা।

৫। ফাহিয়ান কোন? তেওঁৰ টোকাই ভাৰতীয় ৰাজনৈতিক আৰু আৰ্থ-সামাজিক জীৱনক কেনেদৰে প্ৰতিফলিত কৰিছে আলোচনা কৰা।

৬। দ্বিতীয় চন্দ্ৰ গুপ্তৰ ৰাজত্বকাল মূল্যায়ন কৰা।

৭। গুপ্ত প্ৰশাসন ব্যৱস্থাৰ এক চমু বিৱৰণ দিয়া।

৮। হৰ্ষবৰ্দ্ধনৰ ৰাজত্বকাল চমুকৈ আলোচনা কৰা।

৯। বংগদেশৰ পাল ৰাজবংশৰ উত্থান-পতনৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

১০। গুপ্ত পৰৱৰ্তী যুগত সামন্তবাদৰ উত্থান সম্পৰ্কে এক সমীক্ষাত্মক আলোচনা কৰা।

**চমুটোকা লিখা ঃ**

(ক) ইন্দো-গ্ৰীকসকল, (খ) শকসকল, (গ) মিনান্দাৰ,
(ঘ) দ্বিতীয় কদ্‌ফিসিস, (ঙ) স্কন্দগুপ্ত, (চ) ধৰ্মপাল,
(ছ) গুৰ্জৰসকল, (জ) শশাংক, (ঝ) 'এছীয় উৎপাদন পদ্ধতি'।

Scanned by CamScanner